# GENERAL STUDIES—II

## ( Paper—3 )

*Full Marks* : 250

*Time* : 3 hours

---

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **TWENTY** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The number of marks carried by a question/part is indicated against it.

Answers to Question Nos. **1** to **10** should be in *150* words each, whereas answers to Question Nos. **11** to **20** should be in *250* words each.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

---

1. What are the key provisions and constitutional changes made by the Women's Reservation Bill, 2023? (Answer in *150* words) 10

মহিলা সংৰক্ষণ বিধেয়ক, ২০২৩ৰ মুখ্য ব্যৱস্থাসমূহ আৰু এই বিধেয়কে অনা সাংবিধানিক পৰিৱৰ্তনসমূহ কি কি?
(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

2. "In moment when democratic institutions weaken, a vigilant judiciary becomes not just a guardian of the Constitution but a custodian of the people's trust." In the light of the statement, critically evaluate the strategic role of the Supreme Court of India. (Answer in *150* words) 10

''গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ দুৰ্বল হোৱা মুহূৰ্তত সজাগ ন্যায়পালিকা কেৱল সংবিধানৰ অভিভাৱকত পৰিণত নহয়, ই পৰিণত হয় জনতাৰ বিশ্বাসৰ ৰক্ষাকৰ্তাত।'' এই উক্তিৰ আলোকত ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ কৌশলগত ভূমিকাৰ এটা সমালোচনাত্মক মূল্যায়ন আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

3. "Delimitation, as outlined under Section 8A of the Representation of the People Act (1950), aims to adjust constituency boundaries based on population shifts to ensure fair representation." In the light of this, discuss how the delimitation process affects the political representation of indigenous communities in Assam. (Answer in *150* words) 10

''লোক-প্ৰতিনিধিত্ব অধিনিয়ম (১৯৫০)-ৰ ৮ক ধাৰা অনুযায়ী, সীমা-পুনৰ্নিৰ্ধাৰণে জনসংখ্যা পৰিৱৰ্তনৰ আধাৰত সমষ্টিসমূহৰ সীমা-পুনৰ্নিৰ্ধাৰণৰ জৰিয়তে সু-প্ৰতিনিধিত্ব নিশ্চিত কৰিব খোজে।'' উক্তিটোৰ আলোকত সীমা-পুনৰ্নিৰ্ধাৰণে কিদৰে অসমৰ খিলঞ্জীয়া সম্প্ৰদায়সমূহৰ ৰাজনৈতিক প্ৰতিনিধিত্ব প্ৰভাৱিত কৰে, এই সম্পৰ্কে আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

4. Critically analyze how Atal Amrit Abhiyan has made healthcare affordable for poorer sections of the society. (Answer in *150* words) 10

অটল অমৃত অভিযানে কিদৰে স্বাস্থ্যসেৱাক সমাজৰ আৰ্থিকভাৱে পিছপৰা লোকসকলৰ বাবে সহজলভ্য কৰি তুলিছে, এই বিষয়ে এটা সমালোচনাত্মক বিশ্লেষণ আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

5. What are the main objectives of Gunotsav scheme? How has it contributed to strengthening primary education in Assam? (Answer in *150* words) 10

গুণোৎসৱ আঁচনিৰ মূল উদ্দেশ্যসমূহ কি কি? অসমত প্ৰাথমিক শিক্ষা সুদৃঢ় কৰাৰ প্ৰতি ই কিদৰে অৰিহণা যোগাইছে? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

6. Discuss the importance of BRICS as an economic bloc. (Answer in *150* words) 10

অৰ্থনৈতিক গোট হিচাপে ব্ৰিক্‌ছ (BRICS)-ৰ গুৰুত্বৰ সন্দৰ্ভত এটা আলোচনা আগবঢ়াওক।
(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

7. What is 'String of Pearls' strategy of China? How does this strategy challenge India's maritime security? (Answer in *150* words) 10

চীনৰ 'ষ্ট্ৰিং অৰ পাৰ্লছ' কৌশল কি? এই কৌশলে ভাৰতৰ সাগৰীয় সুৰক্ষাক কিধৰণে প্ৰত্যাহ্বান জনাইছে?
(১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**8.** How has the 'Beti Bachao Beti Padhao' scheme led to the well-being and empowerment of the girl child in India? (Answer in *150* words) 10

'বেটি বচাও বেটি পঢ়াও' আঁচনিয়ে ভাৰতত কন্যা শিশুৰ কল্যাণ আৰু সবলীকৰণত কিদৰে বৰঙণি যোগাইছে? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**9.** What are the focus areas of 'Digital India'? Discuss the important provisions of the Common Services Centres (CSC) 2.0. (Answer in *150* words) 10

'ডিজিটেল ইণ্ডিয়া' আঁচনিয়ে প্ৰাধান্য দিয়া মুখ্য ক্ষেত্ৰসমূহ কি কি? কমন ছাৰ্ভিছেজ চেন্টাৰচ (CSC) 2.0-ৰ গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**10.** "The civil servants are dictated by the rules and procedures." Examine the statement in the light of the rights of civil servants in India. (Answer in *150* words) 10

''অসামৰিক সেৱাৰ বিষয়াসকল নিয়ম আৰু প্ৰক্ৰিয়াৰ দ্বাৰা পৰিচালিত হয়।'' এই বক্তব্যটি ভাৰতৰ অসামৰিক সেৱাৰ বিষয়াসকলৰ অধিকাৰৰ সন্দৰ্ভত পৰীক্ষা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**11.** "The doctrine of basic structure safeguards the spirit of the Constitution against majoritarian impulses in India." Examine the role of the judiciary in evolving the doctrine of basic structure of the Indian Constitution. (Answer in *250* words) 15

''ভাৰতত মৌলিক গাঁথনিৰ মতবাদে সংবিধানৰ চেতনাক সংখ্যাগৰিষ্ঠতাবাদী তাড়নাৰ বিৰুদ্ধে সুৰক্ষা দিয়ে।'' ভাৰতীয় সংবিধানৰ মৌলিক গাঁথনিৰ মতবাদ বিকশিত কৰাত ন্যায়পালিকাৰ ভূমিকা পৰীক্ষা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**12.** Critically analyze the effectiveness of the Finance Commission in promoting fiscal equity and strengthening financial relations among the Centre, States and Local Bodies. (Answer in *250* words) 15

বিত্তীয় সমতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত আৰু কেন্দ্ৰ, ৰাজ্য ও স্থানীয় সংস্থাসমূহৰ মাজত বিত্তীয় সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত বিত্ত আয়োগৰ কাৰ্যকাৰিতা সম্বন্ধে সমালোচনাত্মক বিশ্লেষণ দাঙি ধৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**13.** Evaluate to what extent the National Green Tribunal (NGT) has succeeded in ensuring environmental justice in India. How does its functioning reflect the tensions among ecological sustainability, economic development and democratic accountability? (Answer in *250* words) 15

ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে (NGT) ভাৰতত পাৰিৱেশিক ন্যায় সুনিশ্চিত কৰাত কিমানদূৰ সফল হৈছে, তাৰ এটি মূল্যায়ন আগবঢ়াওক। এই প্ৰাধিকৰণৰ কাৰ্যপদ্ধতিয়ে পৰিৱেশতান্ত্ৰিক স্থায়িত্ব, অৰ্থনৈতিক উন্নয়ন আৰু গণতান্ত্ৰিক জবাবদিহিতাৰ মাজৰ সম্পৰ্ক কিদৰে প্ৰতিফলিত কৰে? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**14.** What is the Sixth Schedule of the Indian Constitution? Reflect on the role of the Governor in the areas under the Sixth Schedule. (Answer in *250* words) 15

ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী কি? ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহত ৰাজ্যপালৰ ভূমিকা সম্পৰ্কে এটা আলোচনা আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**15.** What are the main objectives of the Assam State Action Plan on Climate Change (SAPCC)? What are the key sectors that face climate vulnerabilities in Assam?
(Answer in *250* words) 15

আছাম ষ্টেট একশ্যন প্লেন অন ক্লাইমেট চেঞ্জ (SAPCC)-ৰ মুখ্য লক্ষ্যসমূহ কি কি? পৰিৱেশ সুৰক্ষাহীনতাৰ সন্মুখীন হোৱা অসমৰ মুখ্য ক্ষেত্ৰসমূহ কি কি? (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**16.** "Despite tea being a major plantation industry in India, tea estates are in a deplorable condition." Evaluate the effectiveness of Government policies and interventions for the improvement of the Assam tea estate workers.
(Answer in *250* words) 15

"ভাৰতত চাহ এটা মুখ্য কৃষি উদ্যোগ হোৱা সত্ত্বেও ইয়াৰ চাহ বাগিচাসমূহৰ অৱস্থা শোচনীয়।" অসমৰ চাহ বাগিচাৰ কৰ্মীসকলৰ উন্নতিৰ বাবে থকা চৰকাৰী আঁচনি আৰু হস্তক্ষেপৰ কাৰ্যকাৰিতাৰ এটা মূল্যায়ন আগবঢ়াওক।
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** Describe the salient features of the Foreign Contribution (Regulation) Amendment (FCRA) Act, 2020 and its implications on the development of industries in India. (Answer in *250* words) 15

বৈদেশিক বৰঙণি (নিয়ন্ত্ৰণ) সংশোধন (FCRA) অধিনিয়ম, ২০২০-ৰ মূল বৈশিষ্ট্যসমূহ বৰ্ণনা কৰক আৰু ভাৰতৰ উদ্যোগৰ বিকাশত এই অধিনিয়মৰ প্ৰভাৱ নিৰ্দেশ কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** Discuss the implications of political turmoil in Bangladesh on India's foreign policy. (Answer in *250* words) 15

ভাৰতৰ বৈদেশিক নীতিত বাংলাদেশৰ ৰাজনৈতিক অস্থিৰতাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক।
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** How does BIMSTEC contribute towards accelerating regional cooperation in South-East Asia? Explain the significance of BIMSTEC in promoting economic development in North-East India. (Answer in *250* words) 15

দক্ষিণ-পূব এছিয়াত আঞ্চলিক সহযোগিতা ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত বিমছ্টেকে (BIMSTEC) কিধৰণে অৰিহণা আগবঢ়ায়? উত্তৰ-পূব ভাৰতৰ অৰ্থনৈতিক উন্নয়ন সম্ভৱ কৰাৰ ক্ষেত্ৰত বিমছ্টেক (BIMSTEC)-ৰ তাৎপৰ্য ব্যাখ্যা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**20.** Analyze the main factors shaping relations between India and the European Union. (Answer in *250* words) 15

ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্কক প্ৰভাৱান্বিত কৰা প্ৰধান কাৰণসমূহ পৰ্যালোচনা কৰক।
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★